স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

২৬ চন ☐ VOL-15 ☐ NO-321 ☐ THURSDAY 29 JANUARY 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRUG

### কানৈ কলেজত গণৰাজ্য দিৱসত বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা

# সমাজকৰ্মী জ্যোতি প্ৰসাদ কানৈক 'শিক্ষা শিৰোমণি' সন্মান প্ৰদান

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৮ জানুৱাৰী ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ পৰিচালনা সমিতিৰ সদস্য, সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈক মহাবিদ্যালয় পৰিয়ালে ৭৭সংখ্যক গণৰাজ্য দিৱসত 'শিক্ষা শিৰোমণি' সন্মান প্ৰদান কৰে। লগতে গণৰাজ্য দিৱসৰ একেটা অনুষ্ঠানতে ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ অনুষ্ঠান কাৰ্যবাহী পৰশা কোঁৱৰক 'কণ্ঠ সৌৰভ' সন্মান, জনপ্ৰিয় অনাতাঁৰ ঘোষিকা, শিক্ষয়িত্ৰী মৈত্ৰেয়ী ফুকনক 'সুৰীয়া কণ্ঠ' সন্মান আৰু কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, সমাজকৰ্মী আহমদ আলি আয়ুবিক 'মানৱ বন্ধু' সন্মান প্ৰদান কৰে। ৭৭সংখ্যক গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি পুৱা ৭ বজাৰ লগে লগে ৰুক্মিণী দেৱী কানৈ ছাত্ৰী নিৱাসৰ প্ৰাংগণত অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে। সমান্তৰালভাৱে ডিম্বেশ্বৰ চলিহা ছাত্ৰাৱাসৰ প্ৰাংগণত ছাত্ৰাৱাসৰ অধীক্ষক ড° বিৰাজ দত্তই ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে। কানৈ মহাবিদ্যালয়ৰ প্ৰাংগণত পুৱা ৭.৩০ বজাত মূল পতাকা উন্মোচন কৰে অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আৰু সহযোগিতা কৰে পৰিচালনা সমিতিৰ দাতা পৰিয়ালৰ সদস্য জ্যোতিপ্ৰসাদ কানৈ আৰু শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতিপ্ৰসাদ ফুকনে। মহাবিদ্যালয়ৰ মূল পতাকা উন্মোচন কৰি অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ৭৭সংখ্যক গণৰাজ্য দিৱসৰ শুভকামনা জ্ঞাপন কৰাৰ লগতে ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামত আত্মবলিদান দিয়া প্ৰতিগৰাকী শ্বহীদক স্মৰণ কৰি নৱপ্ৰজন্মক দেশৰ উন্নয়নৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। ড° বিৰাজ দত্তই আঁত ধৰা অনুষ্ঠানত বিগত বৰ্ষসমূহৰ দৰে কানৈ মহাবিদ্যালয়ৰ পৰিয়ালে সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ অনবদ্য অৱদান আগবঢ়োৱাৰ কৃতজ্ঞতাৰ চিনস্বৰূপে সমাজৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তি ক্ৰমে প্ৰাক্তন ছাত্ৰী, কৃতী শিক্ষয়িত্ৰী, সমাজকৰ্মী, সাংস্কৃতিক কৰ্মী বিউটী লেখাৰু শইকীয়া, সাংস্কৃতিক কৰ্মী সুতাপা চৌধুৰী, কবি, সাহিত্যিক মীনাক্ষি দাস বৰুৱা আৰু কবি-সাহিত্যিক বিতুমণি ফুকনক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ লগতে সমান্তৰালভাৱে কানৈ মহাবিদ্যালয়ত শিক্ষকতাৰ বৃত্তিত আত্মনিয়োগ কৰি ২৫ বছৰ অৰ্থাৎ কৰ্মজীৱনৰ ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা অধ্যাপক-অধ্যাপিকা ক্ৰমে ড° লামখোলাল ডুংগেল, ড° মৃদুল শৰ্মা, ৰাজীৱ লোচন বৰা, ড° সঞ্চিতা বৰুৱা, আদিত্য দাহাল, অদিতি কোঁৱৰ গগৈ, অনন্ত টেৰণক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। লগতে মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই অনা অধ্যাপক ড° অপূৰ্ব দত্ত আৰু ড° অমিতাভ দলেক সম্বৰ্ধনা জনোৱাৰ লগতে মহাবিদ্যালয়ৰ আন কেইবাগৰাকীও অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মিউজিকেল চেয়াৰ, ৰছী টনা খেল, টেকেলি ভঙা আদি খেল অনুষ্ঠিত হয়।

